समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

অৰ্থনীতি বিজ্ঞান

পাঠ - ১

মুদ্ৰা আৰু বেংক ব্যৱস্থা

অংশ – ৪

ৰিণা ফুকন

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation



মুদ্ৰাৰ ভূমিকা

- মুদ্ৰাই বিনিময়ৰ মাধ্যম হিচাপে কাম কৰে।
- বজাৰকেন্দ্ৰিক অৰ্থনীতিৰ দৰ ব্যৱস্থা হ'ল এক প্ৰধান বৈশিষ্ট্য। দৰ ব্যৱস্থা মুদ্ৰাৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ বস্তুৰ দৰ বা দাম মুদ্ৰাৰ পৰিমাণেৰে প্ৰকাশ কৰা এটা বিনিময় মূল্য।

- যি ব্যৱস্থাত চৰকাৰী সিদ্ধান্তইহে উৎপাদন প্রক্রিয়া নির্ধাৰণ কৰে, বজাৰে নকৰে সেই ব্যৱস্থাতো সম্পদৰাজিৰ মূল্য মুদ্রাৰ মাধ্যমতহে প্রকাশ কৰা হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মুদ্ৰাৰ অসুবিধাসমূহ

- মুদ্ৰাৰ মূল্যৰ অস্থিৰতা । মুদ্ৰাৰ মূল্য অবিৰামভাৱে হ্ৰাস হ'লে ৰাইজৰ অসুবিধা হয়। ঠিক সেইদৰে সামগ্ৰীৰ মূল্য অতিপাত কমি গ'লে অৰ্থাৎ মুদ্ৰাৰ মূল্য বৃদ্ধি হ'লে উৎপাদনকাৰীয়ে লোকচান ভৰিবলগীয়া হয় আৰু উৎপাদন হ্ৰাস হ'লে নিবনুৱাৰ সৃষ্টি হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

- মুদ্রা অর্থনৈতিক সম্পদ আৰু আয় একত্রীকৰণৰ এবিধ আহিলা হ'ব পাৰে। মুদ্রা সর্বস্ব অর্থনীতিত মুদ্রা অর্থনৈতিক ক্ষমতা আহৰণৰ উপায় হৈ পৰে। ই সামাজিক বৈষম্য সৃষ্টি কৰে।
- মুদ্রাৰ প্রতি থকা দুর্বলতাই সামাজিক মূল্যবোধৰ অৱক্ষয়ৰ কাৰণ হ'ব পাৰে। দুর্নীতি, অনিয়ম, অবিচাৰৰ গুৰিতেই মুদ্রা বুলি ক'লে অত্যুক্তি কৰা নহ'ব।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- মুদ্রাৰপৰা ক'লা মুদ্রাৰ সৃষ্টি হয়। ক'লা মুদ্রা অৰ্থনৈতিক অপৰাধ (যেনে আয়কৰ ফাঁকি)ৰ সৈতে জড়িত। এনেবোৰ অপৰাধৰ ফলত চৰকাৰে ৰাজহ হেৰুৱাব লগা হয়।





বেংক কি?

- বেংক এবিধ বিত্তীয় অনুষ্ঠান, যি ঋণৰ ব্যৱসায় কৰে।
- বেংকে সঞ্চয়কাৰীৰপৰা সঞ্চয় সংগ্রহ কৰে আৰু সংগৃহীত সঞ্চয় ঋণ লওতাসকললৈ আগবঢ়ায়। খেতিয়ক, উদ্যোগপতি, সাধাৰণ গ্রাহক, ছাত্র-ছাত্রী আৰু অন্যান্য শ্রেণীৰ লোকসকলে এনে ঋণ বেংকৰপৰা লাভ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

- লেনদেনত বেংকৰ লাভ হয়। যিসকলে বেংকৰপৰা ঋণ লয় সেইসকলে মূলধন পৰিশোধ কৰাৰ লগে লগে বেংকক সুদৰ হাৰো দিব লাগে। এই সুদৰ হাৰ সঞ্চয়কাৰীলৈ বেংকে আগবঢ়োৱা সুদৰ হাৰতকৈ অধিক হোৱাৰ ফলত বেংক ব্যৱসায় লাভজনক হৈ পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বেংকৰ উৎপত্তি




অৰ্থনীতিবিদ ক্ৰাউথাৰৰ

- অৰ্থনীতিবিদ ক্ৰাউথাৰৰ মতে বেপাৰী, সোণাৰী আৰু ঋণ দিওতা মহাজনসকলেই হ'ল বেংকৰ পূৰ্বপুৰুষ।
- মধ্যযুগত ইটালীত বেংক অব ভেনিচ স্থাপন হোৱাৰ লগে লগে বেংক শব্দটোৱে বহুল প্ৰচাৰ লাভ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation



- ইটালীৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য (city state) সমূহৰ মাজত যুদ্ধ-বিগ্ৰহ চলি থকাত কৰ্তৃপক্ষৰ ধনৰাশিৰ প্ৰয়োজন হৈছিল। তেনে ধনৰাশি সংগ্ৰহ কৰিবলৈ কেতবোৰ আয়ুক্ত নিয়োগ কৰা হৈছিল। এই আয়ুক্তসকলক মন্তে (Monte) বুলি কোৱা হৈছিল।
- মন্তে শব্দটোৰ ঠাইত জাৰ্মানসকলে banck শব্দটো ব্যৱহাৰ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- ইটালীত এই শব্দ banco, ফৰাচী ভাষাত banke আৰু ইংলেণ্ডত bank হৈ পৰিল।
- ভাৰতবৰ্ষত ১৭৭০ চনত প্ৰথমটো বেংক স্থাপন কৰা হৈছিল। এই বেংকটোৰ নাম আছিল বেংক অব হিন্দুস্তান।
- অসমৰ প্ৰথমটো বেংক হ'ল গুৱাহাটী বেংক। এই বেংক ১৯২৬ চনত স্থাপিত হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বেংকৰ শ্ৰেণীবিভাজন

(১) কেন্দ্ৰীয় বেংক
(২) বাণিজ্যিক বেংক
(৩) আঞ্চলিক গ্ৰাম্য বেংক
(৪) ভাৰতীয় ঔদ্যোগিক বিকাশ বেংক
(৫) ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ বিকাশ বেংক
(৬) কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক (নাবার্ড)।

- এই বেংকসমূহৰ উপৰিও এছিয়ান ডেভেলপমেণ্ট বেংক, বিশ্ব বেংক ইত্যাদি আন বহুতো বেংক আছে।





समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



১। কেন্দ্ৰীয় বেংক

- এখন দেশৰ সকলো বেংকৰ মুৰব্বী হৈছে কেন্দ্ৰীয় বেংক।
- কেন্দ্ৰীয় বেংকে জাৰি কৰা নিৰ্দেশনা অনুসৰি সকলো বেংকে কাম কৰিব লাগিব।
- ছুইডেনৰ ৰিক্সবেংক হৈছে বিশ্বৰ আটাইতকৈ পুৰণি কেন্দ্ৰীয় বেংক। এই বেংকটো ১৬৫৬ চনত স্থাপন কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ভাৰতৰ কেন্দ্ৰীয় বেংক হৈছে ভাৰতীয় ৰিজাৰ্ভ বেংক।
- এই বেংকটো ১৯৩৫ চনত স্থাপন কৰা হৈছিল।




समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

কেন্দ্রীয় বেংকে কেইবাটাও কাম কৰে।

১। কেন্দ্রীয় বেংকে কাগজী মুদ্রা ছপা কৰে।



- এইটো কেন্দ্রীয় বেংকৰ একচেটিয়া অধিকাৰ কাৰণ দেশৰ আন কোনো বেংকে এই অধিকাৰ লাভ নকৰে।

২। কেন্দ্রীয় বেংকে আমানত মুদ্রা বা ঋণ মুদ্রাৰ পৰিমাণ নিয়ন্ত্রণ কৰে।

- ঋণ মুদ্রাৰ পৰিমাণ বাণিজ্যিক বেংকৰ ঋণ প্রদানৰ ক্ষমতাৰ ওপৰত নির্ভৰ কৰে।
- কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকসমূহৰ ঋণ প্রদান ক্ষমতা নিয়ন্ত্রণৰ বাবে ঋণ নিয়ন্ত্রণ ব্যৱস্থা গ্রহণ কৰে।


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। কেন্দ্রীয় বেংকে বেংকসমূহৰ বেংক হিচাপে কার্য সম্পাদন কৰে ।

- কেন্দ্রীয় বেংকে সকলো সদস্য বেংকৰ হিচাপ-নিকাচ পৰীক্ষা কৰে।
- কেন্দ্রীয় বেংকটোও বাকী সকলো বেংকৰ বিপদৰ বন্ধু।
- বেংকসমূহক আর্থিক সংকটত সহায় কৰে।

৪। কেন্দ্রীয় বেংক চৰকাৰৰ বিত্তৰ যোগান ধৰোঁতা।



- কেন্দ্রীয় বেংক হৈছে চৰকাৰৰ বিত্তীয় সাহায্য।
- বাজেট ঘাটি (চৰকাৰী ব্যয়তকৈ চৰকাৰী আয় কম হলে) দূৰ কৰিবলৈ কেন্দ্রীয় চৰকাৰে কেন্দ্রীয় বেংকৰ পৰা বিত্তীয় সাহায্য ল'ব পাৰে।
- চৰকাৰৰ প্রতিনিধি হিচাপে সকলো চৰকাৰী আয় – ব্যয় হিচাপ ৰাখে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। কেন্দ্রীয় বেংক হ'ল দেশৰ বৈদেশিক বিনিময়যোগ্য মুদ্রাৰ ৰক্ষক।

- ৰপ্তানিৰ উপার্জন, বিদেশী বিনিয়োগ ইত্যাদি বহুতো ভিন্ন ধৰণেৰে দেশলৈ বৈদেশিক মুদ্রাৰ প্রবাহ হ'ব পাৰে।
- কেন্দ্রীয় বেংকে বিনিময়ৰ হাৰ নির্ধাৰণ কৰে।
- বিনিময়ৰ হাৰ হ'ল কোনো এখন দেশৰ মুদ্রা আন এখন দেশৰ মুদ্রাৰ বিপৰীতে যি হাৰত বিনিময় কৰা হয়।

৬। কেন্দ্রীয় বেংকে বেংকসমূহৰ বাবে পৰিশোধ বেংকৰ কাম কৰে।

- কেন্দ্রীয় বেংকে সকলো সদস্য বেংকৰ হিচাপ-নিকাচ ৰক্ষণাবেক্ষণ কৰে।
- সদস্য বেংক সমূহৰ মাজত আন্তঃবেংক ঋণ ব্যৱস্থা চলে।
- ঋণ দিয়া আৰু ঋণ লোৱা বেংকৰ মাজৰ সকলো লেনদেন কেন্দ্রীয় বেংকে হিচাপ ৰাখে।

৭। কেন্দ্রীয় বেংকে উন্নয়নমূলক কার্যও সম্পাদন কৰে।

- ই অৰ্থনীতিৰ অগ্রাধিকাৰ খণ্ডসমূহলৈ (ভাৰতত কৃষিৰ দৰে) মুদ্রা মুকলি কৰাৰ বাৰে আৰ্থ-সামাজিক উন্নয়নক প্রসাৰিত কৰে।
- বৰ্তমান ভাৰতত অগ্রাধিকাৰ খণ্ডৰ ঋণ প্রদান বেংকসমূহৰ মুঠ জমা মুদ্রাৰ ৪০ শতাংশ নির্ধাৰণ কৰা হৈছে।

৮। কেন্দ্ৰীয় বেংকৰ অন্যান্য কার্যাৱলীৰ ভিতৰত আছে।

- বেংকে সময়ে সময়ে দেশৰ অর্থনৈতিক অৱস্থাৰ পর্যালোচনা কৰে।
- ই সমবায় বেংক আৰু অন্যান্য বেংকক ঋণ যোগান ধৰে।
- ই শৈক্ষিক আৰু কল্যাণমূলক আঁচনিৰ বাবে বৰঙণি আগবঢ়ায়।

মূল্যায়ন



1 | অসমৰ প্ৰথমটো বেংক কিমান চনত প্ৰতিষ্ঠা কৰা হৈছিল ?

A 1926

B 1907

C 1908

D 1909

মূল্যায়ন



2 ধৰা হ'ল, দেশত বাণিজ্যিক বেংক সমূহৰ ঋণ দান ক্ষমতা বাঢ়ি গৈছে আৰু জনসাধাণৰ ঋণ লোৱাৰ প্ৰৱণতাও বৃদ্ধি পাইছে । ফলস্বৰূপে মুদ্ৰাৰ যোগান বাঢ়ি গৈছে । এনে পৰিস্থিতিত তলৰ কোনটো কেন্দ্ৰীয় বেংকৰ কাৰ্যত অন্তৰ্ভূক্ত হ'ব -

A কাগজী মুদ্ৰা চপা কৰা ।

B ঋণ মুদ্ৰাৰ সৃষ্টি কৰা ।

C বেংক সমূহৰ বেংক হিচাপে কাৰ্য কৰা ।

D ঋণ মুদ্ৰাৰ পৰিমাণ নিয়ন্ত্ৰণ কৰা ।